

*বিশ্ব গ্ৰন্থ দিৱস উদ্‌যাপন উপলক্ষে আয়োজিত অনুষ্ঠানত ৰাধাগোবিন্দ বৰুৱাৰ মহাবিদ্যালয়ৰ কেইগৰাকীমান শিক্ষাৰ্থী*

ASOMIYA KHABAR
DATE: 24.04.2025
Pg. No: 3




# ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ত বিশ্ব গ্ৰন্থ দিৱস উদ্‌যাপন

গুৱাহাটী, ২৩ এপ্ৰিল ঃ গুৱাহাটীৰ ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ হিন্দী বিভাগৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিৰূপক কোষৰ সহযোগত বিশ্ব গ্ৰন্থ দিৱসৰ লগত সংগতি ৰাখি 'কিতাপৰ সৈতে এদিন' শীৰ্ষক এটি মনোজ্ঞ অনুষ্ঠান সম্পন্ন হয়। হিন্দী বিভাগৰ সহকাৰী অধ্যাপিকা সুনীতা স্বৰ্গীয়াৰীয়ে আঁত ধৰা অনুষ্ঠানটিত মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ প্ৰাণজিৎ কুমাৰ নাথে মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি গ্ৰন্থ অধ্যয়নৰ তাৎপৰ্য সম্পৰ্কে আলোচনা আগবঢ়ায়। মহাবিদ্যালয়খনৰ উপাধ্যক্ষ ডঃ দীপক পাঠক, ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপিকা ডঃ মল্লিকা কন্দলী আৰু অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান অধ্যাপিকা ডঃ লিপিকা তালুকদাৰে ছাত্ৰ-ছাত্ৰীসকলক গ্ৰন্থ অধ্যয়ন কৰিবলৈ আহ্বান জনায়। মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰীসকল এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত উপস্থিত থাকে।

DAINIK ASAM
DATE: 24.04.2025
Pg. No.: 7